# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 26-SEP-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

---

বিটিচি পৰিষদীয় নিৰ্বাচনৰ ভোটগণনা আজি পুৱা ৮ বজাৰ পৰা অব্যাহত আছে। ৪০টা পৰিষদীয় সমষ্টিৰ বাবে হোৱা ভোটগণনা পুৱাৰে পৰা কটকটীয়া নিৰাপত্তাৰ মাজেৰে চলি আছে। শেহতীয়া তথ্য মতে এই পৰ্যন্ত ১৯ খন আসনত বি পি এফে অগ্ৰগতি লাভ কৰিছে। ইউ পি পি এলে ৯ খন, বিজেপিয়ে ১২ খন আসনত অগ্ৰগতি লাভ কৰি আছে।

ooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা মৃত্যুৰ ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ শিল্পী সমাজে আজি গুৱাহাটীৰ উলুবাৰীত থকা আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ত এখন এজাহাৰ দাখিল কৰে। শিল্পী সমাজৰ সভাপতি ডাঃ হিতেশ বৰুৱাৰ নেতৃত্বত অভিনেতা যতীন বৰা, ৰবি শৰ্মা, পৰিচালক শশাংক সমীৰকে ধৰি শিল্পী কলা-কুশলীসকলে অপৰাধ অনুসন্ধান বিভাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুধাকৰ সিঙক সাক্ষাৎ কৰি এজাহাৰ দাখিল কৰে। শিল্পী সমাজে ইয়াৰ জৰিয়তে নৰ্থ-ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত, প্ৰয়াত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাকে ধৰি ছিংগাপুৰৰ দুৰ্ভাগ্যজনক ঘটনাৰ সৈতে জড়িত থকা অন্যান্য সকলৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আহ্বান জনায়। আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ কাৰ্যালয়ৰ পৰা ওলাই আহি অভিনেতা যতীন বৰাই সংবাদ মাধ্যমৰ আগত জনোৱা অনুসৰি জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত অপৰাধ অনুসন্ধান বিভাগে সম্পূৰ্ণ সহযোগ কৰি শিল্পী সমাজৰ পৰা যোৱা সকলোৰে এজন এজনকৈ ভাষ্য গ্ৰহণ কৰিছে।

***(বাইট ঃ যতীন বৰা)***

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্তসকলৰ সপক্ষে ঠিয় নিদিবলৈ সদৌ অসম উকীল সন্থাই ৰাজ্যৰ সকলো অধিবক্তাকে আহ্বান জনাইছে। এটা প্ৰেছ বিবৃতিৰ জৰিয়তে সদৌ অসম উকীল সন্থাৰ সভাপতি শৈলেন্দ্ৰ দাস, সাধাৰণ সম্পাদক দীপক কুমাৰ দাস, কাৰ্যকৰী সভাপতি মানস শৰণীয়া আৰু উপ-সভাপতি বিজন কুমাৰ মহাজনে এই আহ্বান জনাইছে। প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে যে, ৰাজ্যৰ বিভিন্ন পান্তত জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুত জৰিতৰ সন্দেহত বহু কেইজনৰ বিৰুদ্ধে এজাহাৰ দাখিল হৈছে। ৰাজ্য চৰকাৰে গোচৰৰ তদন্তৰ বাবে তৎপৰতাৰ বিশেষ তদন্তকাৰী গোট এছ আই টি গঠন কৰিছে। অভিযুক্ত ব্যক্তিসকলে অগ্ৰিম জামিন বা জামিন বিচাৰি অধিক্তাসকলৰ ওচৰলৈ আইনী সাহায্যৰ বাবে আহিব পাৰে। এই প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে অধিবক্তা সমাজে, মহান শিল্পীগৰাকীৰ অস্বাভাৱিক মৃত্যুৰ সৈতে জড়িতসকলৰ সপক্ষে নৈতিক আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি লক্ষ্য ৰাখি সু-চিন্তিত ভাৱে সমাজৰ পক্ষত ঠিয় দিবলৈ অধিবক্তাসকলক আহ্বান জনোৱা হৈছে।

ooooo

জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ছিংগাপুৰত হোৱা মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে গঠন কৰা বিশেষ তদন্তকাৰী গোটে আজি তৃতীয় দিনাৰ বাবে অভিযুক্ত শ্যামকানু মহন্তৰ মাদাৰ টেৰেছা ৰোডৰ কাৰ্বি পথত থকা বাসগৃহত অভিযান

চলায়। বিশেষ তদন্তকাৰী গোটৰ নেতৃত্বত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ ৩০ জনীয়া এটা দলে বাসগৃহৰ প্ৰতিটো কোঠাত অভিযান চলাই বিভিন্ন তথ্যৰ অনুসন্ধান কৰে। ইপিনে প্ৰয়াত জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ গুৱাহাটীৰ ধীৰেণপাৰাত থকা বাসগৃহত একাংশ লোকে আৰক্ষীক আক্ৰমণ কৰা ঘটনাত জড়িত থকা ৯ জনকৈ লোকক গ্ৰেপ্তাৰ কৰিছে। ফতাশিল থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আৰক্ষীয়ে আটাইকে গ্ৰেপ্তাৰ কৰে।

০০০০০

শাৰদীয় দুৰ্গোৎসৱলৈ মাজত মাথো এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ অন্য প্ৰান্তৰ দৰে গোৱালপাৰা জিলাতো দুৰ্গা পূজাৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। জিলাখনৰ ১৪৩ টা স্থানত এইবেলি দুৰ্গা পূজা অনুষ্ঠিত হ'ব। শাৰদীয় দুৰ্গোৎসৱ যাতে সুকলমে অনুষ্ঠিত হৈ যায় তাৰ বাবে জিলা আয়ুক্ত প্ৰদীপ টিমুঙৰ নেতৃত্বত জিলা প্ৰশাসনে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। ইয়াৰ অংশ হিচাপে জিলা প্ৰশাসনে পূজা উদ্‌যাপন সমিতি আৰু প্ৰতিমা নিৰ্মাণ কৰা খনিকৰসকলৰ সৈতে আলোচনাত মিলিত হৈ বিভিন্ন নীতি নিৰ্দেশনা বান্ধি দিছে। দুৰ্গা পূজা উপলক্ষে চৰকাৰৰ বন আৰু পৰিবেশ মন্ত্ৰালয়ৰ পৰা যিসমূহ পৰামৰ্শ আৰু নিষেধাজ্ঞা জাৰি কৰিছে সেই নীতি-নিৰ্দেশনাসমূহ পূজা উদ্‌যাপন সমিতিসমূহক অৱগত কৰোৱা হৈছে। দেৱী বিসৰ্জনৰ দিনাখন জিলা প্ৰশাসনে নিৰ্দিষ্ট কৰি দিয়া স্থান আৰু সময়ত পূজা উদ্‌যাপন সমিতিসমূহে প্ৰতিমা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰিব লাগিব।

০০০০০

বৰপেটা জিলাৰ ৯৭ খন দুৰ্গা পূজা উদ্‌যাপন কমিটিৰ মাজত আজি জিলা প্ৰশাসনে ৰাজ্য চৰকাৰে আগবঢ়োৱা বিত্তীয় সাহায্যৰ ধনৰ চেক বিতৰণ কৰে। জিলা গ্ৰামীন উন্নয়ন অভিকৰণ সভাকক্ষত আয়োজিত এখন সভাত পূজা উদযাপন সমিতিসমূহৰ মাজত সুকলমে পূজাৰ কাৰ্যসূচী ৰূপায়ণক লৈও জিলা প্ৰশাসনে আলোচনা কৰে।

০০০০০

অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, শিশু সাহিত্যিক তথা দেওমৰনৈ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক শৈলেন কুমাৰ ৰাজবংশীৰ আজি পুৱা তেওঁৰ মঙলদৈৰ উপহুপাৰাৰ নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৮ বছৰ। দীৰ্ঘদিন ধৰি কৰ্কট ৰোগত আক্ৰান্ত হৈ থকা কৃতি শিক্ষকগৰাকীৰ মৃত্যুত দৰং জিলাত শোকৰ ছাঁ পৰে।

০০০০০

সমাপ্ত